জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৬৪/২০২০**

# বিশিষ্ট সমাজকৰ্মী, উদ্যোগপতি চন্দ্ৰকান্ত জয়ছোৱালৰ বিয়োগত মুখ্যমন্ত্ৰী সোণোৱালৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৮ ডিচেম্বৰ ঃ** বিশিষ্ট সমাজকৰ্মী, উদ্যোগপতি চন্দ্ৰকান্ত জয়ছোৱালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত প্ৰয়াত চন্দ্ৰকান্ত জয়ছোৱালে আমাৰ সমাজ জীৱনলৈ যি বৰঙনি আগবঢ়াই গ'ল তাক সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰিব। এগৰাকী উদ্যোগপতি হিচাপে তেখেতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত বৰঙনি আগবঢ়াই গৈছে। তদপুৰি, কালৱাৰ সমাজ, উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, হিন্দুস্তানী কেন্দ্ৰীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, সদগুৰু সদাফলদেৱ সমাজৰ উত্তৰ-পূৰ্বাঞ্চলৰ সভাপতিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি আমাৰ বৃহত্তৰ সমাজখনলৈ তেখেতে যথেষ্ট অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী বিশিষ্ট সমাজৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত চন্দ্ৰকান্ত জয়ছোৱালৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৮/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in